**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত জয়প্ৰকাশ নাৰায়ণ আন্তঃৰাষ্ট্ৰীয় পাটনা বিমান বন্দৰৰ নতুন যাত্ৰী কেন্দ্ৰ ভৱনটো উদ্বোধন কৰে।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত আয়োজিত সাহিত্য সন্মিলন শুভাৰম্ভ কৰে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পাকিস্তানৰ সৈতে ভাৰতৰ আলোচনা পাক অধীকৃত কাশ্মীৰ সন্দৰ্ভতহে হ'ব বুলি পূৰ্বৰ স্থিতি দোহাৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে উপকূলীয় অঞ্চল আৰু দক্ষিণৰ অঞ্চলসমূহৰো বতৰৰ আগলি বতৰা প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খন্তেক পাছতে হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পঞ্জাৱ কিংছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত জয়প্ৰকাশ নাৰায়ণ আন্তঃৰাষ্ট্ৰীয় পাটনা বিমান বন্দৰৰ নতুন যাত্ৰী কেন্দ্ৰ ভৱনটো উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় এহেজাৰ ৪১০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া বিহত বিমান বন্দৰৰ অসামৰিক বহিঃ ক্ষেত্ৰৰ আধাৰশিলাও স্থাপন কৰে। এই উদ্বোধনী অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰাম মোহন নায়ডুও উপস্থিত থাকে।

পাটনা বিমান বন্দৰৰ এই নতুন যাত্ৰী কেন্দ্ৰ ভৱনটো প্ৰায় এহেজাৰ ২০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা হৈছে। এই নতুন কেন্দ্ৰটোৰ জৰিয়তে বছৰি এক কোটি যাত্ৰী অহা-যোৱা কৰিব পাৰিব। নকৈ উন্নয়ন সাধন কৰা এই যাত্ৰী কেন্দ্ৰটোৱে যাত্ৰীসকলক উন্নত সা-সুবিধা আগবঢ়াব বুলি আশা কৰা হৈছে। যাত্ৰী কেন্দ্ৰটো উদ্বোধনৰ পাছতে প্ৰাধানমন্ত্ৰী মোদীয়ে পাটনাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে।

কাইলৈ শ্ৰী মোদীয়ে ৰোহটাছ জিলাৰ বিক্ৰমগঞ্জ ভ্ৰমণ কৰিব। তাত তেওঁ প্ৰায় ৪৮ হাজাৰ ৫২০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা বহুমুখী উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইটামান প্ৰকল্প ৰাষ্ট্ৰৰ নামত উসৰ্গা কৰিব। তেওঁ তাত এখন জনসভাতো অংশ গ্ৰহণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ আলিপুৰদুৱাৰ জিলাত আলিপুৰদুৱাৰ-কোচবিহাৰ মহানগৰীয়া গেছ বিতৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এহেজাৰ ১৭ কোটি টকা ব্যায় সাপেক্ষ এই প্ৰকল্পই পশ্চিমবংগৰ আলিপুৰদুৱাৰ আৰু কোচবিহাৰ জিলাৰ জনসাধাৰণক উপকৃত কৰিব। এই প্ৰকল্পই অঞ্চল দুটাত সুবিধাজনক, নিৰ্ভৰযোগ্য, পৰিৱেশ অনুকূল আৰু কম খৰচী ইন্ধনৰ যোগান শুনিশ্চিত কৰাৰ লগতে সৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত আয়োজিত সাহিত্য সন্মিলন শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বিভিন্ন ভাষা আৰু উপ-ভাষা ভাৰতীয় মনোভাৱ সৃষ্টি কৰাৰ মূল উৎস। শ্ৰীমতী মুৰ্মুৱে এই সন্মিলন অনুষ্ঠিত কৰাৰ বাবে সংস্কৃতি মন্ত্ৰালয় আৰু সাহিত্য একাডেমীক ধন্যবাদ জ্ঞাপন কৰে। দুদিনীয়া এই সাহিত্য সন্মিলনত ভাৰতৰ নাৰীবাদী সাহিত্য, সাহিত্যৰ পৰিৱৰ্তন বনাম পৰিৱৰ্তনৰ সাহিত্য, গোলকীয় দৃষ্টি ভংগীৰে ভাৰতীয় সাহিত্যৰ নতুন দিশ তথা কবি সন্মিলন অনুষ্ঠিত হ'ব। এই সাহিত্য সন্মিলন দেৱী অহল্যাবাই হলকাৰৰ কাহিনীৰে সামৰণি পৰিব। সাহিত্য একাডেমীৰ সহযোগত ৰাষ্ট্ৰপতি ভৱনে এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱট তথা দেশৰ ভিন্ন প্ৰান্তৰ সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত লোকসকল উপস্থিত থাকিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পাকিস্তানৰ সৈতে ভাৰতৰ আলোচনা সন্দৰ্ভত পূৰ্বৰ স্থিতি বাহাল থকা বুলি দোহাৰিছে। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে আলোচনা আৰু সন্ত্ৰাসবাদ একে সময়তে হ'ব নোৱাৰে। ভাৰতে কিছু বছৰ পূৰ্বে পাকিস্তানৰ হাতত অৰ্পণ কৰা সন্ত্ৰাসবাদীৰ তথ্যসমূহ ভাৰতৰ হাতত ওভতাই দিয়াৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। শ্ৰী জয়ছোৱালে কয়, যে জম্মু-কাশ্মীৰ সন্দৰ্ভত তেতিয়াহে আলোচনা অনুষ্ঠিত হ'ব, যেতিয়া পাক অধিকৃত কাশ্মীৰ ভূমিখণ্ড ভাৰতৰ হাতত অৰ্পণ কৰিব। সিন্ধু জলচুক্তি সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয়, যে পাকিস্তানে সীমান্তৰ সীপাৰৰ সন্ত্ৰাসবাদক উদগনি দি থকা পৰ্যন্ত এই চুক্তি স্থগিত থাকিব।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰজোৱা কৃষি উন্নয়ন অভিযান, বিকশিত কৃষি সংকল্প অভিযান আজি দেশৰ ৭০০ খনতকৈও অধিক জিলাত আৰম্ভ কৰা হয়। পুদুচেৰীত এই অভিযান কৃষি মন্ত্ৰী চি জায়াকুমাৰে মুকলি কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে পুডুচেৰী চৰকাৰে পি এম-কে ইউ এছ ইউ এন আঁচনিৰ অধীনত কৃষি ক্ষেত্ৰত জলসিঞ্চনৰ কাৰণে বিনামূলীয়া ছ'লাৰ পেনেল বিতৰণ কৰিবলৈ ছহেজাৰ ১০০ গৰাকী খেতিয়কক বাচনি কৰিছে। এই আঁচনি ৰূপায়ণৰ বাবে কেন্দ্ৰৰ ওচৰত পুডুচেৰী চৰকাৰে ৩৫০ কোটি টকা অনুমোদনৰ প্ৰস্তাৱ আগবঢ়াইছে। তেওঁ কয়, যে এই সৌৰ পেনেলসমূহৰ জৰিয়তে খেতিয়কৰ বৈদ্যুতিক মটৰ চলোৱা আৰু বিদ্যুৎ যোগান ধৰাত সহায়ক হ'ব। মন্ত্ৰীগৰাকীয়ে খেতিয়কসকলৰ মাজত কৃষি ভূমি স্বাস্থ্য কাৰ্ড বিতৰণ কৰে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কয়, যে আয়ুষ্মাণ ভাৰত হৈছে পৃথিৱীৰ পৃথিৱীৰ সৰ্ববৃহৎ স্বাস্থ্য অভিযান। আয়ুষ্মাণ ভাৰতৰ জৰিয়তে দেশৰ ৬২ কোটি লোকক সামৰি লোৱা হৈছে। নতুন দিল্লীত অনুষ্ঠিত চি আই

আই বাৰ্ষিক ব্যৱসায়িক সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰী নাড্ডাই কয়, যে ৭০ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলক অয়ুষ্মাণ ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাখ টকা মূল্যৰ চিকিৎসা ব্যয় আগবঢ়োৱা হয়। এই আঁচনি প্ৰৱৰ্তনৰ সময়ৰে পৰা বৰ্তমানলৈ ৯ কোটি ৪০ লাখ হাস্পতালত ইয়াৰ সুবিধা অন্তৰ্ভুক্ত হৈছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ, উপকূলীয় অঞ্চল আৰু দক্ষিণৰ কৰ্ণাটক, কেৰেলা, মাহে, তামিলনাডু, পুডুচেৰী আৰু কাৰাইকলত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা প্ৰকাশ কৰিছে। অন্ধ্ৰপ্ৰদেশ, মুজফৰবাদ, পাঞ্জাব, ৰাজস্থান আৰু দিল্লীত অহা দুই-তিনি দিনৰ ভিতৰত বিজুলী-ঢেৰেকনী, বিধবংসী ধুমুহাৰে সৈতে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে আজি পশ্চিম ৰাজস্থানত গ্ৰীষ্ম প্ৰবাহ আৰু ধূলীৰ ধুমুহাৰ আগজাননী দিছে।

ooooo

নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী উইনষ্টন পিটাৰ্ছ আজি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীক আদৰণি জনায় সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু নিউজিলেণ্ডৰ মাজত উচ্চ পৰ্যায়ৰ আদান-প্ৰদানৰ সম্পৰ্কক প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয়, যে এই ভ্ৰমণে দুয়োখন দেশৰ আন্তৰিক আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কক অধিক শক্তিশালী কৰিব। এই ভ্ৰমণকালত উপ-প্ৰধানমন্ত্ৰী শ্ৰী পিটাৰ্ছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰ আৰু স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰিব।

ooooo

নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত চাৰিখন ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ ৩৭৩ গৰাকী নিৰ্বাচন কৰ্মীক প্ৰশিক্ষণ প্ৰদান কাৰ্য আৰম্ভ কৰে। অংশগ্ৰহণকাৰীসকলক সম্বোধন কৰি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে আইনমতে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন কৰ্মীসকলক এই প্ৰশিক্ষণ দিয়াটো অতি গুৰুত্বপূৰ্ণ তেওঁ লগতে কয়, যে এই প্ৰশিক্ষণৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে নিৰ্বাচন সংক্ৰান্তীয় বহু বিষয় সন্দৰ্ভত অৱগত হ'ব পাৰিব। অংশগ্ৰহণকাৰীসকলক ভোটাৰৰ পঞ্জীকৰণ তথা অন্যান্য আনুসংগিক বিষয়ৰ লগতে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ দিয়া হ'ব।

ooooo

অহা ৩ জুলাইত আৰম্ভ হ'বলগীয়া বাৰ্ষিক অমৰনাথ যাত্ৰাৰ বাবে তীৰ্থযাত্ৰীসকলক সুৰক্ষা দিবলৈ কেন্দ্ৰীয় চৰকাৰে অৰ্ধসামৰিক বাহিনীৰ কেইবাটাও গোটক দায়িত্ব দিছে। মুঠ ৫৮১ টা অৰ্ধসামৰিক বাহিনীৰ গোটে জম্মু-কাশ্মীৰত অমৰনাথ যাত্ৰাৰ যাত্ৰীসকলক সুৰক্ষা দিয়াৰ বাবে নিয়োজিত হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জম্মু-কাশ্মীৰ প্ৰশাসন আৰু আৰক্ষীক ১৫৬-চি এ পি এফ কোম্পানীক উক্ত অঞ্চলত সুৰক্ষা দিয়াৰ বাবে ইতিমধ্যে নিয়োজিত কৰিছে। এই সুৰক্ষা কৰ্মীসকলে বেলতল আৰু পেহেলগাম পথেৰে যাত্ৰা কৰা যাত্ৰীসকলৰ সুৰক্ষা সুনিশ্চিত কৰিব।

ooooo

ভাষাৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশ্বত অনন্য আৰু ভাৰতৰ ভাষা-সাহিত্য জ্ঞানৰ সোণৰ খনি বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি প্ৰকাশ কৰিছে। নতুন দিল্লীত ভাৰতীয় পৰিসংখ্যা সেৱাৰ পৰীক্ষাৰ্থীসকলৰ

সৈতে মত বিনিময় কৰি উপৰাষ্ট্ৰপতি শ্ৰী ধনখড়ে কয়, যে ভাৰতৰ সৰ্বাংগীন ছবিখন ইয়াৰ ভাষাসমূহত জৰিয়তে প্ৰতিফলিত হৈছে আৰু ই দেশৰ মেৰুদণ্ড শক্তিশালী কৰিছে। তেওঁ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে মাতৃভাষাক অগ্ৰাধিকাৰ দিয়া বুলিও প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বৰ্তমান আঞ্চলিক ভাষাত শিক্ষা গ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ আনকি চিকিৎসা আৰু অভিযান্ত্ৰিক বিষয়সমূহো মাতৃভাষাৰ মাধ্যমত গ্ৰহণ কৰাৰ ক্ষেত্ৰত তেওঁ গুৰুত্ব প্ৰদান কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহৰ মুল্লানপুৰত খন্তেক পাছতে হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া এলিমিনেটৰ খেলত পইণ্ট তালিকাৰ তৃতীয় স্থানত থকা গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এলিমিনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথম কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত